# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ অষ্টম** **বিষয় ঃ ভাষা-১ (অসমীয়া)** **দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন), ২০১৮ ইং**

শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - পঠন কৌশল
(২০১৭ ৰ গুণোৎসৱ আৰু নাচ (NAS)ৰ ফলাফল অনুসৰি)

**শিকন ফলাফলৰ উপক্ষেত্ৰ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিত থকা বিভিন্ন পাঠ পঢ়ি বুজি পাব।
⇨ পাঠ্যপুথিৰ বিভিন্ন পাঠৰ যুক্তাক্ষৰযুক্ত শব্দবোৰ সলসলীয়াকৈ পঢ়িব পাৰিব আৰু পঢ়ি বুজি পাব।
⇨ পাঠ্যপুথিত থকা খণ্ডবাক্যসমূহ পঢ়ি, বুজি পাব আৰু প্ৰয়োগ কৰিব পাৰিব।
⇨ পাঠ্যপুথি বহিৰ্ভূত ছপা আৰু হাতে-লিখা সামগ্ৰী, বাতৰি-কাকত, আলোচনী, বিভিন্ন বিষয়ৰ দফা আদি পঢ়ি বুজি পাব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন, ২০১৮) লৈকে সামৰা পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) ভক্ত প্ৰহ্লাদ | - পাঠ নং ৫ |
| খ) প্ৰগতিৰ সোণালী বাট | - পাঠ নং ৬ |
| গ) বস্তু বিজ্ঞান অধ্যয়ন | - পাঠ নং ৭ |
| ঘ) শ্ৰীশ্ৰী শংকৰদেৱ | - পাঠ নং ৮ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন, ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

**পঠন শিক্ষাগ্ৰহণৰ এক গুৰুত্বপূৰ্ণ কৌশল।** পঠন শিক্ষা দানৰ মূল উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীৰ অধ্যয়নৰ ক্ষমতা গঢ়ি তোলা। অধ্যয়ন দক্ষতা আৰু অধ্যয়ন অভ্যাস দুয়োটা মানুহৰ জীৱনৰ বাবে প্ৰয়োজনীয়।

উচ্চ প্ৰাথমিক পৰ্যায়ৰ অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ ২০১৭ৰ **গুণোৎসৱ** আৰু **নাচ** (NAS) ৰ মূল্যায়নৰ ভিত্তিত পোৱা তথ্য মতে কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ পঠন বোধৰ ক্ষেত্ৰত শিকন ঘাটি দেখিবলৈ পোৱা গৈছে। অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে বাক্য, দফা পঢ়ি ভালদৰে বুজি নাপায়। ফলত দফাটোৰ পৰা কৰা প্ৰশ্নৰ শুদ্ধ উত্তৰ দিব নোৱাৰে। অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে যিকোনো পাঠ পঢ়ি পাঠটোৰ অৰ্থ বুজি পাঠ সম্পৰ্কীয় সকলোবোৰ প্ৰশ্নৰ উত্তৰ দিব পাৰিব লাগিছিল। কিন্তু আমাৰ ছাত্ৰ-ছাত্ৰীসকলে পাঠোদ্ধাৰ কৌশলত আশানুৰূপ লক্ষ্যত উপনীত হ'ব পৰা নাই। গতিকে এই শিকন ঘাটি পূৰণ কৰাটো আমাৰ শিক্ষক সমাজৰ এক পবিত্ৰ দায়িত্ব।

পঠন বোধনৰ ক্ষেত্ৰত দেখা দিয়া ধূসৰ ক্ষেত্ৰসমূহ বাছি উলিয়াই ছাত্ৰ-ছাত্ৰীৰ পঠন বোধনৰ পৰিপুষ্টি সাধনৰ বাবে নতুন পদক্ষেপ নিশ্চয় ল'ব লাগিব। আমি শিক্ষক হিচাপে কেনে ধৰণৰ পৰিকল্পনাৰে কি কি ক্ৰিয়া-কলাপেৰে ছাত্ৰ-ছাত্ৰীৰ পঠন বোধন বঢ়াম আৰু ক্ষিপ্ৰ পঠন অভ্যাস গঢ়ি তুলিব পাৰিম, - সেই কথাখিনিকে এই সমল সামগ্ৰীত সন্নিবিষ্ট কৰা হৈছে।

ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ

⇨ লিখিত (ছপা আৰু হাতে-লিখা) পাঠ পঢ়ি বুজি পোৱাটোৱেই হৈছে পঠনৰ মূল লক্ষ্য। ভাষা শিকনৰ চাৰিটা কৌশলৰ ভিতৰত পঠন হৈছে এক গুৰুত্বপূৰ্ণ কৌশল।
⇨ পাঠ্যপুথিৰ বাহিৰেও অন্যান্য বিদ্যায়তনিক বিষয় (সমল) পঢ়ি জ্ঞান লাভ কৰিবলৈও পঠনৰ প্ৰয়োজন।
⇨ ব্যক্তি এগৰাকীয়ে ভাষাৰ জৰিয়তে চিন্তা-চৰ্চা কৰে, সেয়েহে ব্যক্তিৰ পঠন অবিহনে তেওঁৰ চিন্তা-চৰ্চা কৰাৰ দক্ষতা সীমিত হৈ থাকে।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি কি শিকিম ঃ**

- ⇨ ছাত্ৰ-ছাত্ৰীৰ সৰৱ পঠনৰ ক্ষেত্ৰত থকা ধূসৰ ক্ষেত্ৰসমূহ অধিক অনুশীলনৰ জৰিয়তে স্বচ্ছ কৰি পঠনৰ বোধন ক্ষমতা অধিক শক্তিশালী কৰিব পাৰিম।
- ⇨ পাঠ্যপুথি বহিৰ্ভূত পাঠ, যেনে, - বাতৰি-কাকত, আলোচনী, শিশু গ্ৰন্থ আদি পঠন সামগ্ৰী সংগ্ৰহ কৰি ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতা বঢ়াবৰ বাবে বিভিন্ন ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰিব পাৰিম।
- ⇨ শিক্ষণ-শিকন প্ৰক্ৰিয়াত পঠনৰ অবিৰত মূল্যায়ন কৰাবলৈ সুবিধা পাম।
- ⇨ নতুন নতুন উদ্ভাৱনীমূলক চিন্তাৰ ক্ৰিয়া-কলাপেৰে শ্ৰেণীকোঠা গতিশীল কৰিব পাৰিম।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপতে উপস্থাপন কৰা হ'ল —**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ১) পাঠ্যপুথিত থকা বিভিন্ন পাঠ পঢ়ি বুজি পোৱা। | ➢ যুক্তাক্ষৰ থকা শব্দ তালিকা, বাক্য-কাৰ্ড, সাধুকথা। | ক্ৰিয়া-কলাপ | ১) তলত দিয়া দফাটো শুদ্ধকৈ পঢ়া। "কুকৰ্ম কৰি বংশৰ দুৰ্ণাম কৰোঁতা প্ৰহ্লাদে নাজানে নেকি যে মোৰ সহোদৰ হিৰণ্যাক্ষক বৰাহৰূপী বিষ্ণুৱে দাঁতেৰে খুঁচি হত্যা কৰিছে? হৰিৰ অন্য ৰূপ বিষ্ণু, সেইজন কেৱল মোৰেই শত্ৰু নহয়, তেওঁ সমগ্ৰ দৈত্যবংশৰে চিৰ শত্ৰু।" — এই কথাষাৰ কোনে কৈছে? বিষ্ণুৰ অন্য নাম কি? | অবিৰত আৰু সামগ্ৰীক মূল্যায়ন |
| ২) পাঠ্যপুথিৰ বিভিন্ন পাঠৰ যুক্তাক্ষৰযুক্ত শব্দবোৰ সলসলীয়াকৈ পঢ়িব পৰা আৰু পঢ়ি বুজি পোৱা। | ➢ যুক্তাক্ষৰ থকা শব্দৰে গঠিত বাক্যৰ তালিকা | ক্ৰিয়া-কলাপ | ২) তলত দিয়া যুক্তাক্ষৰকেইটাৰে শব্দ গঠন কৰি পঢ়া — দ্ধ, ষ্ঠ, ণ্ড, ষ্ট | |
| ৩) পাঠ্যপুথিত থকা খণ্ডবাক্যসমূহ পঢ়ি বুজি পোৱা আৰু বাক্যত প্ৰয়োগ কৰিব পৰা। | ➢ পাঠত থকা খণ্ড বাক্যৰ তালিকা | ক্ৰিয়া-কলাপ | ৩) এই পাঠত থকা জতুৱা ঠাঁচ (খণ্ড বাক্য) ব্যৱহাৰ কৰি এটি সাধু কোৱা। | |
| ৪) পাঠ্যপুথি বহিৰ্ভূত সামগ্ৰী (ছপা আৰু হাতেলিখা), বাতৰি কাকত, আলোচনীৰ বিভিন্ন বিষয়ৰ দফা আদি পঢ়ি বুজি পোৱা। | ➢ বাতৰি-কাকত, আলোচনী | ক্ৰিয়া-কলাপ | ৪) বাতৰি-কাকতৰ দফা এটা পঢ়ি কি বুজিলা কোৱা। | |

**বিকাশৰ ব্যৱস্থাৱলী ঃ**

অষ্টম শ্ৰেণীৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকোঠাত যুক্তাক্ষৰযুক্ত শব্দবোৰ পঠনত প্ৰায়েই ভুল কৰে; আৰু পঢ়িলেও বুজি নাপায়। মাত্ৰ কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে যুক্তাক্ষৰযুক্ত শব্দ থকা পাঠ সলসলীয়াকৈ পঢ়িব পাৰে। এনে ক্ষেত্ৰত শিক্ষয়িত্ৰী হিচাপে জেৰিফা বেগমে যুক্তাক্ষৰযুক্ত শব্দবোৰ পঢ়িবলৈ ছাত্ৰ-ছাত্ৰীসকলক কেনেদৰে উৎসাহিত কৰিছিল জানিবলৈ তলৰ ক্ষেত্ৰ অধ্যয়নটো পঢ়ি চাওঁ আহকচোন—

**ক্ষেত্ৰ অধ্যয়ন ঃ**

জেৰিফা বেগম বৰদোৱাৰ এখন বিদ্যালয়ৰ অষ্টম শ্ৰেণীত অসমীয়া ভাষা বিষয়টো পঢ়োৱা এগৰাকী শিক্ষয়িত্ৰী। তেখেতে শ্ৰেণীকোঠাত যুক্তাক্ষৰ পঠনৰ বাবে তলত উল্লেখ কৰা কিছুমান শিক্ষণ-শিকন সামগ্ৰী আগতীয়াকৈ প্ৰস্তুত

কৰি লৈছিল। তেখেতে পাঠ্যপুথিৰ ৫, ৬, ৭ নং পাঠত থকা— হ্ল, ক্ত, ন্ধ, ন্ত, ষ্ট, ক্র, দ্ধ, ণ্ড, ব্র, ণ্ঠ ত্ন, খ্য— এই যুক্তাক্ষৰকেইটা প্ৰয়োগ কৰি এটা সাধু চাৰ্টত লিখি উলিয়ালে। তাৰ পাছত সাধুটোত থকা যুক্তাক্ষৰযুক্ত শব্দসমূহ ৰঙা চিয়াহীৰে লিখি পেলালে।

**প্ৰস্তুতি ঃ**

- ⇨ যুক্তাক্ষৰযুক্ত শব্দৰ পৰা যুক্তাক্ষৰটো বাছি লৈ এখন যুক্তাক্ষৰৰ তালিকা।
- ⇨ বাক্যকাৰ্ড
- ⇨ সাধুকথাৰ ৬ খন চাৰ্ট (ওপৰৰ সাধুটো)
- ⇨ বেলেগ বেলেগ গল্প চাৰ্ট (খণ্ডবাক্য থকা)

সাধুটো হ'ল —

'প্ৰহ্লাদ আৰু ৰক্তিম দুয়ো নলে গলে লগা বন্ধু আছিল। প্ৰহ্লাদ ক্ষীণ আৰু শান্ত আছিল। ৰক্তিম হৃষ্ট-পুষ্ট হোৱাৰ লগতে অলপ দুষ্ট প্ৰকৃতিৰ আছিল। ৰক্তিমৰ সেয়েহে শত্ৰুও আছিল বহুত। ৰক্তিম আৰু প্ৰহ্লাদে এদিন অনাই-বনাই ঘূৰি ফুৰোঁতে সিহঁতৰ পিয়াহত অণ্ঠ-কণ্ঠ শুকাই গৈছিল। সিহঁতে পানী বিচাৰি গৈ থাকোঁতে এজোপা প্ৰকাণ্ড আমগছ দেখা পালে। গছ জোপাৰ এটা ডালত বৰ ডাঙৰ পকা আম এটা দেখিলে। দুয়োৰে এটা বুদ্ধি পাঙিলে আৰু গছত উঠি আমটো পৰাৰ সিদ্ধান্ত ল'লে। সিদ্ধান্ত মতেই কাম। প্ৰহ্লাদে গছত বগাই আম পাৰিবলৈ যাওঁতে গছজোপাত থকা মৌবাহ এটাৰ পৰা অসংখ্য মৌ আহি তাক বেঢ়ি ধৰিলে। প্ৰহ্লাদে আমটো লৈ নামি আহিল যদিও তাৰ চাৰিওফালে মৌবোৰে ঘূৰি ফুৰি তাক কামুৰিবলৈ ধৰিলে। তাকে দেখি ৰক্তিমে বন্ধুক এৰি থৈ নিজক বচাবৰ বাবে তীব্ৰ গতিৰে দৌৰ মাৰিলে। ৰক্তিমে বন্ধুৰ বাবে সহায়ৰ হাত আগবঢ়াই নিদি নিজেহে ৰক্ষা পৰিবৰ বাবে যত্ন কৰিলে।'

জেৰিফা বেগমে সাধুকথাৰ চাৰ্টখন কৃষ্ণ ফলক (Black Board) ৰ কাষত আঁৰি দিলে। ছাত্ৰ-ছাত্ৰীসকলক ৫টা বা ৬টা দলত ভাগ কৰি প্ৰত্যেকটো দলকে এখনকৈ পূৰ্বতে প্ৰস্তুত কৰি থোৱা সেই সাধুটোৰ চাৰ্ট বিলাই দিলে। প্ৰতিটো দলৰে একোজনক বেৰত আঁৰি দিয়া সাধুৰ চাৰ্টখন পঢ়িবলৈ দিলে আৰু আনহাতে বাকী ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকক দিয়া চাৰ্টত ছাত্ৰ বা ছাত্ৰীজনে ভুলকৈ পঢ়া বুলি ভবা শব্দবোৰৰ তলত কাঠ পেঞ্চিলেৰে দাগ দিবলৈ ক'লে। এনেদৰে প্ৰতিটো দলৰ পঠন আৰু ভুল শব্দত দাগ দিয়া কাৰ্য সমাপ্ত হোৱাৰ পাছত ভুল বুলি ভবা শব্দবোৰ আন দলবোৰৰ সৈতে আলোচনা কৰি শব্দৰ ভুল উচ্চাৰণবোৰ শুদ্ধ কৰিলে। শুদ্ধ নোহোৱা যুক্তাক্ষৰযুক্ত শব্দবোৰ শিক্ষকে চাৰ্টখনত দেখুৱাই একোটা শব্দ পাঁচবাৰকৈ সৰৱ পঠন আৰু সমস্বৰে পঠন কৰিবলৈ দিলে।

তাৰপাছত ছাত্ৰ-ছাত্ৰীসকলক সেই যুক্তাক্ষৰবোৰ ব্যৱহাৰ কৰি নতুন শব্দ গঠন কৰিবলৈ দিলে। প্ৰয়োজনত আগতীয়াকৈ প্ৰস্তুত কৰি থোৱা গল্প, চাৰ্ট ব্যৱহাৰ কৰি তাত থকা যুক্তাক্ষৰযুক্ত শব্দবোৰ চৰ্চা কৰিবলৈ দিলে।

এনেদৰে ক্ৰিয়া-কলাপটো কৰাৰ পাছত জেৰিফা বেগমে মন কৰিছিলে যে ছাত্ৰ-ছাত্ৰীসকলে বৰ উৎসাহ-উদ্দীপনাৰে পঠন কাৰ্যত অংশগ্ৰহণ কৰিছে আৰু আনন্দৰে ভুলবোৰ শুধৰাই লৈছে। জেৰিফা বেগমেও পূৰ্বৰ তুলনাত এনেদৰে শ্ৰেণীকোঠাত নিজেও সক্ৰিয় হৈ থাকি যোগাত্মক ফলাফলৰ বাবে আত্মসন্তুষ্টি লাভ কৰিলে।

শেষত জেৰিফা বেগমে সৰু সৰু বেলেগ বেলেগ সাধু পঠনৰ অনুশীলন আৰু ক্ৰিয়া-কলাপৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ যুক্তাক্ষৰযুক্ত শব্দবোৰ পঠন কৰালে।

**চিন্তা কৰি চাওঁ আহক**

- ⇨ জেৰিফা বেগমে অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক যুক্তাক্ষৰযুক্ত শব্দবোৰ পঢ়িব পৰা কৰিবলৈ কেনেদৰে চেষ্টা কৰিছিল?
- ⇨ তেওঁ বাৰে বাৰে অনুশীলন কৰিলেই পঠনবোধ হ'ব বুলি ভাবে; আপুনি এই কথাটোত একমত নে?

জেৰিফা বেগমে কৰাৰ দৰে আমিও কৰি চাওঁ আহক —

**ক্ৰিয়া-কলাপ ১ ঃ**

- আমি পঠনত অসুবিধা পোৱা যুক্তাক্ষৰ শিকনৰ বাবে মই অংশীদাৰী পঠনৰ সহায় ল'ব পাৰোঁ।
- অংশীদাৰী পঠন মানে হ'ল শিক্ষক, ছাত্ৰ-ছাত্ৰী একেলগে পঠন কাৰ্যত লিপ্ত হোৱা আৰু ছাত্ৰ-ছাত্ৰীক কোনো এটা পাঠ পঢ়াৰ ক্ষেত্ৰত আনৰ সমানে আগুৱাই নিয়া। এনে পঠনৰ বাবে এজন আৰ্হি পঢ়ুৱৈ থাকে। ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকৰ

লগত একেলগে পঠন কৰিব পাৰে। অংশীদাৰী পঠনত এটা পাঠ পঢ়ি যাওঁতে শিক্ষকে আঙুলিৰে বা নির্দেশক দণ্ডৰ সহায়ত ছাত্র-ছাত্রীক পঢ়ি যোৱা শব্দ, যুক্তাক্ষৰসমূহ সমস্বৰে পঢ়িবলৈ দিব। তেওঁ সুন্দৰ ভাৱ প্ৰকাশৰ যোগেদি কেনেকৈ পঢ়িব লাগে তাৰ আৰ্হি পঠন দাঙি ধৰিব। নতুন শব্দ কেনেকৈ পঢ়িব আৰু উচ্চাৰণ কৰিব পাৰি তাৰো প্ৰদৰ্শন কৰিব।

ছাত্র-ছাত্রীৰ যুক্তাক্ষৰযুক্ত শব্দবোৰ পঢ়াত সুবিধা হ'বৰ কাৰণে এখন যুক্তাক্ষৰৰ তালিকা প্ৰস্তুত কৰি ল'ব লাগিব। তলৰ তালিকাখন মন কৰক—

| | | |
|---|---|---|
| প্ৰহ্লাদ | হ্ল | হ + ল + আ |
| ৰক্তিম | ক্তি | ক + ত + ই |
| শত্ৰু | ত্ৰু | ত + ৰ + উ |
| বুদ্ধি | দ্ধি | দ + ধ + ই |
| প্ৰকাণ্ড | ণ্ড | ণ + ড |
| কণ্ঠ | ণ্ঠ | ণ + ঠ |
| দুষ্ট | ষ্ট | ষ + ট |
| বন্ধু | ন্ধু | ন + ধ + উ |

তালিকাখন অংশীদাৰী পঠন কৰাব। পঢ়ি দিয়াৰ লগে লগে ছাত্র-ছাত্রীসকলকো সমস্বৰে পাঠ কৰিবলৈ দিব। কেইবাবাৰো সমস্বৰ পঠনৰ পাছত গাইগুটিয়াকৈ পঢ়িবলৈ দিব। ভুল হ'লে বাৰে বাৰে পঠন কৰিবলৈ দিব। এইদৰে কৰোঁতে প্ৰায় ভাগ ছাত্র-ছাত্রীয়ে যুক্তাক্ষৰযুক্ত শব্দবোৰ পঢ়িব পৰা হ'ব।

ছাত্র-ছাত্রীক পাঠ্যপুথিত থকা ৫ নং পাঠ 'ভক্ত প্ৰহ্লাদ' পাঠটো উলিয়াই ল'বলৈ দিব। ছাত্র-ছাত্রীসকলক দুজনীয়া দলত ভাগ কৰি পাঠটোৰ (ভক্ত প্ৰহ্লাদ) দফাবোৰ ভগাই দি প্ৰতিটো দলৰ এজনে দফাটো পঢ়িব, আনজনে শুনিব। ঠিক তেনেকৈ আকৌ শুনি থকা ছাত্রজনে এইবাৰ পঢ়িব, আনজনে শুনিব। এইদৰে পাল-পাতি কেইবাবাৰো পঢ়িবলৈ দিব। শেষত মূল্যায়নৰ বাবে যুক্তাক্ষৰযুক্ত বাক্য ব'র্ডত লিখি দি ছাত্র-ছাত্রীসকলৰ এজন এজনকৈ সেই বাক্যবোৰ পঢ়িবলৈ দিব। এইদৰে কৰা ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ পৰা ছাত্র-ছাত্রীয়ে আনন্দ পাব আৰু পঠনত সক্ৰিয় অংশগ্ৰহণ কৰাৰ সুযোগ পাব।

**জতুৱা ঠাঁচ আৰু খণ্ডবাক্য পঠনবোধ ঃ**

জতুৱা ঠাঁচ মানে হ'ল কোনো এটা ভাষাৰ নিজস্ব শৈলী বা প্ৰকাশভংগী। জতুৱা ঠাঁচৰ প্ৰকাশভংগীয়ে লিখনি আকৰ্ষণীয় আৰু প্ৰভাৱশালী কৰি তোলে। খণ্ডবাক্যবোৰে এক বিশেষ অৰ্থ বা ভাব প্ৰকাশ কৰে। এনে খণ্ডবাক্যৰ ভিতৰত ফকৰা-যোজনা, পটন্তৰ আদিও পৰে।

**ক্ৰিয়াকলাপ-২ ঃ**

**প্ৰস্তুতি ঃ**

অষ্টম শ্ৰেণীৰ ছাত্র-ছাত্রীক গল্পত থকা খণ্ডবাক্যবোৰ পঢ়ি বুজি পাবলৈ তলত দিয়া ধৰণে এটা খণ্ডবাক্য থকা গল্প প্ৰস্তুত কৰি ল'ব পাৰি।

গল্পটো হ'ল —

"মনীষা মাক-দেউতাকৰ একমাত্ৰ সন্তান। তাই গোটেই পৰিয়ালটোৰেই আলাসৰ লাডু। দেউতাকে তাইক সৰুৰে পৰা অকণো কষ্ট নোপোৱাকৈ ডাঙৰ-দীঘল কৰিছে। ভাল শিক্ষা পাওক বুলি তাইক চহৰৰ মূধাফুটা স্কুলখনত নাম লগাই দিয়ে। মনীষাৰ আবদাৰবিলাক মাক-দেউতাকে সহজে মানি লয়। মাকে তাইৰ গাত টোপ এটাও পৰিবলৈ নিদিয়ে। মনীষাই কিন্তু মাক-দেউতাকৰ মৰমৰ মোল বুজি নাপালে। সংগদোষত পৰি পঢ়া-শুনাৰ ফালে একেবাৰে পিঠি দিলে। স্কুললৈ বুলি ওলাই আহি সমনীয়াৰ লগত উনৈশত বা বগাই ফুৰে। মনীষাৰ এই অধঃপতনৰ কথা অহুকাণে-পহুকাণে শুনি দেউতাক বিনা মেঘে বজ্ৰপাত পৰাৰ দৰে হ'ল। তেখেতে স্কুললৈ গৈ উৰহী গছৰ ওৰ ল'বলৈ লওঁতেই জোলোঙাৰ মেকুৰী ওলাই পৰিল। মাক-দেউতাকে তাইক লৈ জল্পনা-কল্পনা কৰাটো আকাশত চাং পতাৰ দৰে হ'ল।"

৬টা দলে পঢ়িব পৰাকৈ ৬খন চাৰ্টত গল্পটো লিখি ল'ব লাগিব। শ্ৰেণীত ৫জনীয়া ৬টা দল গঠন কৰি প্ৰতিটো

দলকে একোখনকৈ চাৰ্ট বিতৰণ কৰিব লাগিব। চাৰ্টকেইখন বিভিন্ন দলক পঢ়িবলৈ দিওঁতে গল্পটোৰ তলত আঁচ টনা শব্দবোৰ ছাত্ৰ-ছাত্ৰীক গুৰুত্ব সহকাৰে পঢ়িবলৈ ক'ব লাগিব।

ছাত্ৰ-ছাত্ৰীয়ে গল্পটো ৩/৪ বাৰ পঢ়াৰ পাছত দলৰ ভিতৰত আলোচনা কৰিবলৈ দিব লাগিব। তাৰ পাছত আঁচটনা শব্দবোৰে কি বুজাইছে ছাত্ৰ-ছাত্ৰীক গাইগুটিয়াকৈ প্ৰশ্ন কৰি বুজাব লাগিব। প্ৰতিটো দলৰে এজনক গল্পটো নিজৰ ভাষাৰে ক'বলৈ দিব পাৰিব। শেষত গল্পটো পঢ়ি বুজাই দিব লাগিব।

পুনৰ ছাত্ৰ-ছাত্ৰীক যুৰীয়াভাৱে দল কৰি প্ৰতিটো দলকে গল্পটোৰ পৰা এটাকৈ খণ্ডবাক্য বাছি লৈ তাক বাক্যত প্ৰয়োগ কৰিবলৈ দিব লাগিব। এইদৰে ছাত্ৰ-ছাত্ৰীৰ খণ্ডবাক্য আৰু জতুৱা ঠাঁচৰ পঠনবোধৰ কাৰণে বেলেগ বেলেগ খণ্ডবাক্য আৰু জতুৱা ঠাঁচ প্ৰয়োগ কৰি গল্প বা সাধু পঢ়িবলৈ উৎসাহিত কৰিব লাগিব। তাৰ পাছত পাঠটোৰ বিষয়বস্তু সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীসকলৰ এটা দলক প্ৰশ্ন সুধিবলৈ আৰু আনটো দলক সোধা প্ৰশ্নৰ উত্তৰ দিবলৈ উৎসাহিত কৰিব লাগিব।

*বিঃ দ্ৰঃ*

⇨ *শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।*

**সাৰাংশ ঃ**

শ্ৰেণীকোঠাৰ ভিতৰত আৰু বাহিৰতো ছাত্ৰ-ছাত্ৰীক পঠন দক্ষতা আয়ত্ত কৰাবলৈ আৰু পঠনৰ বোধ বঢ়াবলৈ শিক্ষকে কেনেদৰে সহায় আগবঢ়াব পাৰে , তাৰ ওপৰতে এই সমল সামগ্ৰীটোত আলোকপাত কৰা হৈছে। শ্ৰেণীকোঠাত পঠন দক্ষতাৰ বিকাশ হোৱাকৈ সঘনাই ব্যৱহাৰ কৰিবৰ বাবে বহুতো ক্ৰিয়া-কলাপৰ কথা এই সামগ্ৰীখিনিয়ে স্পষ্ট কৰিছে। ক্ৰিয়া-কলাপৰ বাবে শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তাৰ কথাও ইয়াত স্পষ্ট কৰি দিয়া হৈছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীসকলৰ পঠন-লিখনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহক ঃ

১। প্ৰশ্ন ঃ তলত দিয়া যুক্তাক্ষৰকেইটাৰে শব্দ গঠন কৰি একোটাকৈ বাক্য সাজা আৰু পঢ়া।

দ্ধ, ণ্ঠ, ণ্ড, ষ্ট

২। প্ৰশ্ন ঃ তলত দিয়া দফাটো শুদ্ধকৈ পঢ়া (৫ নং পাঠৰ, পৃষ্ঠা ৪১ৰ হিৰণ্যকশিপুৰ বচনখিনি)

"কুকৰ্ম কৰি বংশৰ দুৰ্নাম কৰোঁতা প্ৰহ্লাদে নাজানে নেকি যে মোৰ সহোদৰ হিৰণ্যাক্ষক বৰাহৰূপী বিষ্ণুৱে দাঁতেৰে খুচি হত্যা কৰিছে?"

৩। প্ৰশ্ন ঃ তলত দিয়া জতুৱা ঠাঁচ (খণ্ডবাক্য)কেইটা প্ৰয়োগ কৰি এটা দফা লিখি পঢ়া।

হাত দীঘল, ডলাৰ বগৰী, মূধাফটা, অহুকাণে-পহুকাণে, বিনামেঘে বজ্ৰপাত, আকাশত চাং পতা

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলন ঃ**

১। প্ৰশ্ন ঃ তলত দিয়া যুক্তাক্ষৰকেইটাৰে অৰ্থ প্ৰকাশক শব্দ লিখা আৰু পঢ়া।

স্ব, ন্ন, ষ্ট, ত্ত, ল্প,

২। প্ৰশ্ন ঃ তলৰ শব্দকেইটাৰ অৰ্থ প্ৰকাশ কৰি বাক্য ৰচনা কৰা।

অনুসৰণ, আত্মগোপন, কৰ্মনিষ্ঠ, উৎফুল্লিত, তটিনী

৩। প্ৰশ্ন ঃ জতুৱা ঠাঁচ (খণ্ডবাক্য) ব্যৱহাৰ কৰি এটি সাধু লিখা আৰু পঢ়া।

৪। প্ৰশ্ন ঃ বাতৰি-কাকতৰ এটা দফা পঢ়ি কি বুজিলা কোৱা।

**প্ৰসংগটোকা ঃ**

⇨ অংকুৰণ (অষ্টম ভাগ) অষ্টম শ্ৰেণীৰ বাবে

⇨ অসমীয়া ব্যাকৰণ প্ৰৱেশ— ডঃ গোলোক চন্দ্ৰ গোস্বামী

⇨ চন্দ্ৰকান্ত অভিধান, হেমকোষ অভিধান।

❑❑❑